# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। উৎকণ্ঠাৰ অৱসান ঘটাই অষ্টাদশ লোকসভা নিৰ্বাচনৰ ফলাফল প্ৰকাশ। বিজেপি নেতৃত্বাধীন এন-ডি-এৰ ২৯২খন আৰু আই এন ডি মিত্ৰজোঁটৰ ২৩৩ খন আসনত জয়লাভ।

২। তৃণমূল কৰ্মীসকলৰ অবিহনে বিজেপিৰ জয় সম্ভৱ নাছিল বুলি দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

৩। ৰাজ্যৰ ১১ টা সমষ্টিত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰাৰ বিপৰীতে যোৰহাট, নগাঁও আৰু ধুবুৰীত বৃহৎ ভোটৰ ব্যৱধানত কংগ্ৰেছৰ বিজয় সাব্যস্ত।

৪। নেৰানেপেৰা বৰষুণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৪ লৈ বৃদ্ধি। বানবিধ্বস্ত ১০ খন জিলাৰ ১৬৭ টা শিবিৰত ৩৩ হাজাৰৰো অধিক লোকৰ আশ্ৰয় গ্ৰহণ।

*আৰু*

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আয়ৰলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম খেল।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ ৫৪৩খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হৈছে। সেই অনুসাৰে বিজেপি নেতৃত্বাধীন এন-ডি-এ মিত্ৰজোঁটে ২৯২খন আসন লাভ কৰিছে। আনহাতে, আই এন ডি আই মিত্ৰজোঁট ২৩৩খন আসন লাভ কৰি দ্বিতীয় স্থানত আছে। অন্যান্যসকল ১৮খন আসনত জয়ী হৈছে।

বিজেপিয়ে অকলে ২৪০খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হৈছে। তেলুগু দেশমে ১৬খন আৰু জে ডি ইউৱে ১২খন আসন হস্তগত কৰিছে। কংগ্ৰেছে ৯৯খন আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে ৩৭খন, তৃণমূল কংগ্ৰেছে ২৯খন, ডি এম কেই ২২খন, শিৱসেনা উদ্ধৱ থাকৰে গোটে ৯খন, এন-চি-পি শাৰদ যাদৱ দলে ৮খন, শিৱসেনা সিন্দেই ৭খন, লোক জনশক্তি পাৰ্টী ৰামবিলাস দলে ৫খন, আৰ জে ডি আৰু চি পি আই এমে ৪খনকৈ, আম আদমী পাৰ্টী আৰু ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগে ৩খনকৈ তথা জে ডি এছ, জনসেনা, চি পি আই, চি পি আই এম এল, ভি চি কে আৰু নেচনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে।

এইবাৰৰ লোকসভা নিৰ্বাচনত জয়লাভ কৰা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বাৰানসীৰ পৰা প্ৰধানমন্ত্ৰী তথা বিজেপি নেতা নৰেন্দ্ৰ মোডী, গান্ধীনগৰৰ পৰা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, কোটাৰ পৰা ওম বিৰলা, বিকানেৰৰ পৰা অৰ্জুন ৰাম মেঘৱাল, যোধপুৰৰ পৰা গজেন্দ্ৰ সিং শ্বেখাৱট, ডিব্ৰুগড়ৰ পৰা সৰ্বানন্দ সোণোৱাল, গুণাৰ পৰা জ্যোতিৰাদিত্য সিন্ধিয়া, মেইনপুৰীৰ পৰা সমাজবাদী পাৰ্টীৰ নেত্ৰী ডিম্পল যাদৱ, উত্তৰ প্ৰদেশৰ ৰায়বেৰেলি আৰু কেৰালাৰ ৱায়নাডৰ পৰা কংগ্ৰেছৰ ৰাহুল গান্ধী আৰু আছানছ'লৰ পৰা তৃণমূল কংগ্ৰেছৰ

শত্ৰুঘ্ন সিনহা অন্যতম। আনহাতে, নিৰ্বাচনত পৰাজয়বৰণ কৰা বিশিষ্ট প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডা, স্মৃতি ইৰাণী, এন চি পি নেতা ওমৰ আব্দুল্লা আৰু পি ডি পিৰ নেত্ৰী মেহবুবা মুফ্‌টি আছে।

00000000

অষ্টাদশ লোকসভা নিৰ্বাচনৰ ফলাফল পৰিস্ফুত হোৱাৰ পাছতে কালি নিশা দিল্লীত বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা উপস্থিত হৈ দলীয় কাৰ্যকৰ্তাসকলক সম্বোধন কৰে। দলৰ সভাপতি জে পি নাড্ডাই ভাৰতীয় জনতা পাৰ্টীৰ সকলো কৰ্মকৰ্তালৈ ধন্যবাদ জ্ঞাপন কৰি কয় যে, তৃণমূল কৰ্মীসকলৰ অবিহনে  বিজেপিৰ জয় কেতিয়াও সম্ভৱ নহয়। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ স্নেহৰ ওচৰত ঋণী বুলি উল্লেখ কৰি কয় যে দেশৰ জনতাই এন ডি এ চৰকাৰৰ ওপৰত আস্থা প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে দেশৰ নিৰ্বাচন আয়োগক স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে  তীব্ৰ গৰমকো নেওচি নিৰ্বাচনৰ কাম-কাজত জড়িত হৈ থকা বিষয়া কৰ্মচাৰীসকলকো ধন্যবাদ জ্ঞাপন কৰে।

আনহাতে, কংগ্ৰেছ দলে কালি লোকসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু নেতা ৰাহুল গান্ধীয়ে অংশ লয়। ৰাহুল গান্ধীয়ে সংবাদমেলত ভোটদাতাসকলক ধন্যবাদ জ্ঞাপন কৰি এই নিৰ্বাচন সংবিধান ৰক্ষাৰ স্বাৰ্থত অনুষ্ঠিত হৈছে বুলি প্ৰকাশ কৰে। ইপিনে, শ্ৰী গান্ধীয়ে  নিৰ্বাচনী ফলাফল সন্দৰ্ভত আলোচনা কৰাৰ বাবে আজি বিৰোধী ঐক্যমঞ্চৰ এখন বৈঠক অনুষ্ঠিত হ'ব বুলিও জানিবলৈ দিয়ে। কালি অনুষ্ঠিত সংবাদমেলখনত বিৰোধী দলসমূহৰ সৈতে কংগ্ৰেছ একেলগে নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো ফলপ্ৰসূ হৈছে বুলি তেওঁ উল্লেখ কৰে। আনহাতে, শ্ৰী খাৰ্গেই সংবাদমেলত কয় যে কোনো দলেই স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰা নাই আৰু এইবাৰৰ নিৰ্বাচনী ফলাফলে জনসাধাৰণৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে জনমতকে প্ৰতিফলিত কৰিছে।

0000000

অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৯খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত আৰু ইউ পি পি এলে কোকৰাঝাৰ সমষ্টিত জয়লাভ কৰিছে। ইয়াৰ বিপৰীতে ৩খন আসনত কংগ্ৰেছ জয়ী হৈছে। ডিব্ৰুগড় সমষ্টিত বিজেপি প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে ২ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰে।

একেদৰে লখিমপুৰ সমষ্টিত প্ৰদান বৰুৱাই কংগ্ৰেছৰ উদয় শংকৰ শইকীয়াক, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছাই কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কিক, শিলচৰত পৰিমল শুক্লবৈদ্যই কংগ্ৰেছৰে সূৰ্যকান্ত সৰকাৰক, ডিফুত অমৰছিং তিছ'ৰে নিৰ্দলীয় প্ৰাৰ্থী জে আই কাঠাৰক, গুৱাহাটীত বিজুলী কলিতা মেধিয়ে কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীক, কৰিমগঞ্জত কৃপানাথ মাল্লাই কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰচিদ আহমেদ চৌধুৰীক আৰু দৰং-ওদালগুৰিত দিলীপ শইকীয়াই কংগ্ৰেছৰ মাধৱ ৰাজবংশীক পৰাস্ত কৰে।

ইপিনে কংগ্ৰেছে ধুবুৰী, যোৰহাট আৰু নগাঁও সমষ্টিত জয়লাভ কৰিছে। ধুবুৰী সমষ্টিত কংগ্ৰেছৰ ৰকিবুল হুছেইনে নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। একেদৰে যোৰহাটত কংগ্ৰেছৰ গৌৰৱ গগৈয়ে নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ তপন গগৈক

আৰু নগাঁও সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বিজেপিৰ সুৰেশ বৰাক পৰাস্ত কৰিছে। উল্লেখযোগ্য যে ইন্দোৰ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী শংকৰ লালৱানিয়ে দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক ১১ লাখ ৭৫ হাজাৰ ৯২টা ভোটৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে ৰকিবুল হুছেইনে দ্বিতীয় সৰ্বাধিক সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰে। ধুবুৰীৰ কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী আজমলক ১০ লাখ ১২ হাজাৰ ৪৭৬টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে।

আনহাতে, বৰপেটা লোকসভা সমষ্টিত অসম গণ পৰিষদ দলৰ ফণীভূষণ চৌধুৰীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ দ্বীপ বায়নৰ বিৰুদ্ধে ২ লাখ ১৮ হাজাৰৰো অধিক সংখ্যক ভোটত আৰু কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰীয়ে বিপিএফৰ খাম্ফা বৰগয়াৰীৰ বিৰুদ্ধে ৫১ হাজাৰৰো অধিক ভোটত জয়লাভ কৰিছে।

oooooooo

কালি ফলাফল ঘোষণা কৰা দেশৰ শেহতীয়া লোকসভা নিৰ্বাচনত অৰুণাচল প্ৰদেশৰ অৰুণাচল পূব সমষ্টিত বিজেপিৰ টাপিৰ গাঁও আৰু অৰুণাচল পশ্চিম সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা কিৰেণ ৰিজিজু বিজয়ী হৈছে।

মিজোৰাম সমষ্টিত জোৰাম পিপলছ মুভমেণ্ট দলৰ প্ৰাৰ্থী ৰিচাৰ্ড ভানলালমাংগাইহাই জয়লাভ কৰে। মেঘালয়ৰ শ্বিলং সমষ্টিত ভইছ অফ পিপলছ পাৰ্টীৰ ৰিকি ছিংকন আৰু তুৰা সমষ্টিত কংগ্ৰেছ দলৰ ছালেং এ ছাংমা জয়ী হৈছে। ত্ৰিপুৰা পূব সমষ্টিত বিজেপিৰ কীৰ্তি দেৱী দেৱবৰ্মন আৰু ত্ৰিপুৰা ৱেষ্ট সমষ্টিত বিপ্লৱ কুমাৰ দেৱে জয়লাভ কৰে।

আনহাতে, মণিপুৰৰ ইনাৰ মণিপুৰ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী অংগমচা বিমল আকিজামে আৰু আউটাৰ মণিপুৰ সমষ্টিত কংগ্ৰেছৰে আলফ্ৰেড কাংগাম এছ আৰ্থুৰতাই বিজয় সাব্যস্ত কৰে।

ইপিনে, নাগালেণ্ডৰ একমাত্ৰ আসনখনত কংগ্ৰেছ প্ৰাৰ্থী এছ সুফোংমেৰেণ জমিৰে ৰাজ্যখনৰ শাসকীয় দল এন ডি পি পিৰ প্ৰাৰ্থী ড০ সুম্বেন মুৰীক ৫০ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰি জয়লাভ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কাছাৰ, নগাঁও, কৰিমগঞ্জ, ধেমাজি, মৰিগাঁও, হোজাই, ডিব্ৰুগড়, ডিমাহাচাও, হাইলাকান্দি আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত অৱস্থাত আছে। এই ১০ খন জিলাৰ ২৩ টা ৰাজহ চক্ৰৰ অন্তৰ্গত ৪৫৯ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। সাম্প্ৰতিক বানত কাছাৰ জিলাৰ প্ৰায় ১ লাখ ২০ হাজাৰ জন, ধেমাজিত ২৪২ জন, ডিমাহাচাওত ৪০০ জন, হাইলাকান্দিত ৪ হাজাৰ ১০৪ জন, হোজাইত ৪ হাজাৰ ৪৫১ জন, পশ্চিম কাৰ্বি আংলঙত ৪ হাজাৰ ৮৬১ জন, কৰিমগঞ্জত ১৯ হাজাৰ ৫২৪ জন, মৰিগাঁৱত এহেজাৰ ১৩৯ জন আৰু নগাঁৱত সৰ্বাধিক ২ লাখ ১৩ হাজাৰ ৪৮২ জন লোক ক্ষতিগ্ৰস্ত হৈছে। এই জিলাসমূহত বৰ্তমানে ১৬৭ টা চৰকাৰী সাহায্য শিবিৰ আৰু ৭৩ টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় হৈ আছে। শিবিৰসমূহত প্ৰায় ৩৩ হাজাৰ বানপীড়িতই আশ্ৰয় গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। ইপিনে, কাছাৰৰ বান পৰিস্থিতি অধিক জটিল হৈ থকাৰ পৰিপ্ৰেক্ষিতত এছ ডি আৰ এফ, এন ডি আৰ এফৰ লগতে জৰুৰী সেৱা বাহিনীয়ে উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বৰ্তমানেও কপিলী আৰু কুশিয়াৰা নৈৰ পানী বিপদসীমাৰ ওপৰেদি প্ৰৱাহিত হৈ থকাৰ ফলত নগাঁও জিলা আৰু বৰাক উপত্যকাৰ বান পৰিস্থিতি উন্নত হোৱা নাই। ইপিনে, সাম্প্ৰতিক বানত আজিলৈকে মুঠ ২৪ জন লোকৰ মৃত্যু হোৱা বুলি ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে প্ৰকাশ কৰিছে।

০০০০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৰিৱেশৰ উন্নয়ন তথা জৈৱ তন্ত্ৰ ৰক্ষাৰ বাবে জনসচেতনতা বৃদ্ধি আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি প্ৰতিবছৰে ৫ জুনৰ দিনটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰা হয়। প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত এই দিৱসে বিশ্বজুৰি যথেষ্ট তাৎপৰ্য বহন কৰি আহিছে। দেশৰ আন আন প্ৰান্তৰ দৰে অসমতো আজি বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে এই দিৱস উদযাপন কৰা হ'ব। এইবেলি পৰিৱেশ দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে বিশদ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইলোৰা বিজ্ঞান মঞ্চই জিলা আৰু ৰাজ্যিক ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান প্ৰদৰ্শনীৰ লগতে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে 'ভূমিৰ পুনৰুদ্ধাৰ কৰা, মৰুময়তা ৰোধ কৰা আৰু খৰাং সহনশীলতা গঢ়ি তোলা'।

আকাশবাণী গুৱাহাটী কেন্দ্ৰইও আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মঙলদৈ টাউন স্কুলত এটা পৰিৱেশ সজাগতা অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে বক্তৃতানুষ্ঠানৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা লিখা, পোষ্টাৰ অংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখা যোগে এই সমগ্ৰ অনুষ্ঠান দুপৰীয়া চাৰে ১২ বজাৰ পৰা পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব।

০০০০০০০০০

অহা ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে সকলো জিলালৈ বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাত নিৰ্ধাৰিত সময়ৰ পাছত নতুন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা বন্ধ হৈ পৰিব বুলি উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নতুন শিক্ষাবৰ্ষৰ দুটা মাহ অতিক্ৰম কৰাৰ পাছতো শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন চলি থকা কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি ইত্যাদিৰ সুবিধা প্ৰদান কৰিব লাগিব, সেয়া থিৰাং কৰাত শিক্ষা বিভাগ অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে বিদ্যালয় শিক্ষা বিভাগে ৰাজ্যৰ সকলো জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত, জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ জাননী প্ৰেৰণ কৰি ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু নামভৰ্তি সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলক স্বীকৃতি প্ৰদান সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে জিলাসমূহৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

০০০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি আয়ৰলেণ্ডৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। নিউয়ৰ্কৰ নাছাউ কাউন্টি আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ যোৱা নিশা ডলাছত অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছে নেপালক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত নেপালে প্ৰথমে  বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা

উইকেট হেৰুৱাই ১০৬ ৰাণ সংগ্ৰহ কৰে। নেডাৰলেণ্ডছৰ হৈ টিম প্ৰিংগল আৰু লোগান ৱেন বীকে তিনিটাকৈ উইকেট দখল কৰে। নেপালৰ হৈ অধিনায়ক ৰোহিতে ৩৭টা বলত ৩৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে ১৮ অভাৰ আৰু ৪টা বলত চাৰিটা উইকেটৰ বিনিময়ত ১০৯ ৰাণ কৰে। প্ৰিংগলক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড আৰু স্কটলেণ্ডৰ মাজৰ ব্ৰীজটাউন কেন্সিংটনৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০০০০

ছাৰ্বিয়াৰ ন'ভাক জ'ক'ভিচে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা মাজভাগতে নাম প্ৰত্যাহাৰ কৰি নিজৰ অভিযান সামৰিছে। পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা জ'ক'ভিচে খেলখনৰ প্ৰাক মুহূৰ্তত সামাজিক মাধ্যমযোগে নাম প্ৰত্যাহাৰ কৰাৰ বিষয়ে অৱগত কৰে। আঘাতৰ বাবে তেওঁ এই সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে অভিলেখসংখ্যক ২৪ টা গ্ৰেণ্ডশ্লাম খিতাপ জয় কৰা জ'ক'ভিচে ৪ ঘণ্টা ২৯ মিনিট ধৰি চলা এখন খেলত ইটালীৰ লৰেঞ্জোক পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰাৰ পাছত আৰ্জেণ্টিনাৰ ফ্ৰান্সিস্ক'ৰ বিৰুদ্ধে জয়ী হৈ অন্তিম ৮ ত প্ৰৱেশ কৰিছিল।

০০০০০০০০০

**ক্ষমতাত এনডিএ, উজ্জীৱিত ইণ্ডিয়া** শিৰোনামেৰে **দৈনিক অসম** কাকতে কালি দেশজুৰি ঘোষণা হোৱা অষ্টাদশ লোকসভা নিৰ্বাচনৰ ফলাফলৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কালি ঘোষণা হোৱা ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনৰ ফলাফলত বিজেপি আৰু টেলুগু দেশম পাৰ্টিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা খালিস্তানী বিদ্ৰোহী নেতা অমৃতপাল সিঙে পঞ্জাৱৰ খাদুৰ ছাহিব লোকসভা সমষ্টিৰ পৰা জয়লাভ কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত হোৱা বান পৰিস্থিতিৰ ফলত কাছাৰত ৫ গৰাকী লোকৰ প্ৰাণহানি হোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নেচনেল টেষ্টিং এজেঞ্চিয়ে কালি দেশজুৰি NEET UGৰ ফলাফল ঘোষণা কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিৰ্বাচনী ফলাফলৰ প্ৰভাৱত ভাৰতীয় শ্বেয়াৰ বজাৰত অভিলেখসংখ্যক পতনৰ ফলত বিনিয়োগকাৰীৰ **৩১** লাখ কোটি টকা লোকচানৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালি ঘোষিত লোকসভা নিৰ্বাচনৰ ফলাফলত অসমত বিজেপি মিত্ৰজোঁটে চমকপ্ৰদ প্ৰদৰ্শনেৰে **১১**খনকৈ আসন লাভ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ ধুবুৰী লোকসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলক বৃহৎ পৰিমাণৰ ভোটৰ ব্যৱধানত পৰাস্ত কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**